Sample question paper

Subject: Assamese

Subject code- (114)

Class: XII

Session: 2026-27

Time: 3 hours | Total marks: 80

## Section A

### Comprehension ( বোধ পৰীক্ষণ)

1. তলৰ অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা। 2x6=12

বনজাত সম্পদত অসম অতুলনীয়। শাল, সোনাৰু, আজাৰ, নাহৰ, গমাৰি, চেগুন, অগৰু, চন্দন, শিমলু আদি নানা কাঠৰ অৰণ্য অসমত বিৰাজমান। ইয়াৰপৰা আচবাব, সুগন্ধি তৈয়াৰ কৰা হয়। হাবিত পোৱা বাঁহ, ইকৰা, নল, খাগৰি আদিৰে গৃহ নিৰ্মাণ কৰা হয়। অসমত প্ৰচুৰ পৰিমাণে শাক–পাচলি, ফুল–ফল,মা- মছলা পোৱা যায়। তদুপৰি বিভিন্ন অসুখত উপকাৰী ঔষধি গছ–নিম, তুলসী, অৰ্জুন, আমলখি, হালধি, আদা, শিলিখা, চালকুঁৰৰী আদি অসমত পোৱা যায়।

অসমৰ আন এবিধ বনজাত সম্পদ হৈছে বনৰীয়া জীৱ–জন্তু। হাতী,গড়,বাঘ,বান্দৰ, সাপ, নেউল, পহু, গাহৰি আৰু হাঁহ, কাউৰী, শগুণ, কুলি, কেতেকী, ভাটৌ আদি অলেখ পশু–পক্ষী অসমৰ অৰণ্যত ভৰপূৰ। তেনেদৰে মাছ- কাছ উভৈনদী।

অসমৰ আন এবিধ মূল্যৱান সম্পদ হ’ল লা। এবিধ গছত বৰ্ধিত কীটৰ আঠাৰপৰা লা হয়।

খনিজ সম্পদৰ ভিতৰত কেৰাচিন আৰু পেট্ৰ’ল অসমত প্ৰচুৰ মাত্ৰাত পোৱা যায়। অসমৰ তেল শোধন কৰিবলৈ ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলীগড়ত শোধনাগাৰ আছে। ডিব্ৰুগড় জিলাৰ লেপেটকতাত গেছ ক্ৰেকাৰ প্ৰকল্প প্ৰতিষ্ঠা হৈছে। লিডু, মাৰ্ঘেৰিটা, বৰগোলাই, টিপং, মাকুম অঞ্চলত কয়লাৰ খনি আছে। কয়লা মূলতঃ ইন্ধন আৰু আলকাতৰা হিচাপে ব্যৱহাৰ কৰা হয়। তদুপৰি অসমৰ বিভিন্ন ঠাইত চূণশিল আৰু বালিচন্দা পোৱা যায়।

প্ৰকৃতিয়ে বনজ, প্ৰাণীজ, খনিজ সম্পদেৰে অসমথন চহকী কৰিছে।

প্ৰশ্ন:

I) কি কি গছ গৃহ নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা হয় ?

II) ঔষধি গছ কি কামত উপকাৰী ? ইয়াৰ কেইটামান উদাহৰণ দিয়া ।

III) লা কি? ই কিহৰপৰা তৈয়াৰ হয় ?

IV) অসমৰ খনিজ সম্পদ কি কি ?

V) অসমৰ ক’ত ক’ত শোধনাগাৰ আৰু গেছ প্ৰকল্প আছে ?

VI) কয়লাৰ খনি ক'ত ক'ত আছে? ইয়াক কিহত ব্যবহাৰ কৰা হয় ?

2)শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা । 1x3=3

I) "বনৰীয়া" শব্দটোত কি প্ৰত্যয় যোগ হৈছে ?

A) অৰীয়া

B) য়া

C) ঈয়া

D) ওৱা

II) 'মা-মছলা' কি শব্দ?

A) অনুকাৰ

B) অনুৰূপ

C) যৌগিক

D) ৰূঢ়

III) 'বাঁহ ' শব্দটোৰ সমোচ্চাৰক শব্দ হল

A) হাঁহ

B) বাহ

C) বাট

D) বেত

Section B

( লিখন কলা)

3.a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতি শিক্ষা দিবা । 5×1=5

এজনী বুঢ়ী আছিল.....ডাৱৰীয়া ৰাতি দীঘলঠেঙীয়াই নাপায় যেন বুলি শুলে....চোৰে গৰু চুৰ কৰিব আহি বুঢ়ীৰ কথা শুনিলে .....বাঘেও গৰু খাবলৈ আহিছিল.....দুয়ো দীঘলঠেঙীয়া মানে কি বুজি নাপালে..... চোৰে গৰু বুলি বাঘ চুৰ কৰি বাঘৰ পিঠিত বহিল.....দুয়োৱে দীঘলঠেঙীয়াই লম্ভিলে বুলি লৰ দিলে....নেগুৰত জোৰকৈ ধৰাত বাঘৰ নেজ চিঙিল....চোৰ ছিটিকি পৰিল....চোৰে নেজডাল বাঘৰ বুলি গম পাই গছত উঠিল....বাঘে লগৰ কেইটাক কোৱাত কুৰিটামান বাঘে নেগুৰ চিঙাক বিচাৰি গছৰ ওপৰত পালে...... বাঘে ইটোৰ পিঠিত সিটো উঠি ওখ হ'ল....চোৰে "খৰা, চাবি,চাবি" কোৱাত তলৰ নেগুৰ খৰা বাঘ পলাল .....ওখ হৈ থকা বাঘবোৰ সৰি পৰিল।

নাইবা

b)যিকোনো এখন ৰচনা লিখা 5x1=5

I) অসমৰ উদ্যোগীকৰণ

II) ছাত্ৰ আৰু ৰাজনীতি

4) তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা শ্বহীদ দিৱসৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰবাবে এখন প্ৰতিবেদন যুগুত কৰা 5x1=5

5)তলত দিয়া যিকোনো এটা ফকৰা যোজনা বুজাই লিখা 5x1=5

I) ৰাইজে নখ জোকাৰিলে নৈ বয়।

II) হলা গছত আটায়ে বাগী কুঠাৰ মাৰে

6) ভাৱ সম্প্ৰসাৰণ কৰা (যিকোনো এটাৰ) 5×1=5

I) নম্ৰতা সজ ব্যৱহাৰৰ অনুপান।

II) অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল ।

7)তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা (যিকোনো পাঁচটা) 1x5=5

ভাত মাৰ, বাট চা, মাটি হ , মাত লগা, হাড়ে ছালে লগা, হাড়ত বন গজা

Section-C

( ব্যাকৰণ)

8) তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা 1x4=4

I) অটল

A) স্থিৰ

B) অস্থিৰ

C) তলি

D)নতুন

II) অতল

A) ধূলি

B) অতি দ

C) পাছত

D) চাপৰ

III) দ্বিপ

A) হাতী
B) সাপ

C) বিল

D) পাম

IV) দীপ

A) ওচৰ

B) পুখুৰী

C)চহকী

D)চাকি

9) a)তলত দিয়া শব্দ দুটাৰ অনুৰূপ শব্দ বাছি উলিয়াই লিখা 1x4=4

I) ভাত

A) চাত

B) চাছ

C) চাহ

D) তাচ

II) পুথি

A) তুথি
B)চুথি
C) মুথি

D) বুথি

b) তলৰ শব্দটোৰ অনুকাৰ শব্দ লিখা

I) কেৰ

A) হেৰ

B) মেৰ

C) কেৰ

D) কুৰ

II) কা

A) কা

B) কূ

C) কি

D) বা

10) তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখা 1x4=4

I) একেটা পদত থকা ঋ, ৰ, ষ- ৰ পিছত থকা দন্ত্য ন, মূৰ্দ্ধন্য ণ হয়

A) অণু

B) পাষাণ

C) পাণি

D) নিপুণ

II) ট- বৰ্গৰ কোনো বৰ্ণৰ লগত যুক্ত হলে দন্ত্য ন, মূৰ্দ্ধন্য ণ হয়

A) কষ্ট

B) ঋষি

C) তৃণ

D) বৰষুণ

III) সু আৰু বি উপসৰ্গৰ পাছত থকা সম শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়

A) নিষাদ

B) দোষ

C) নিষেধ

D) সুষম

IV) কিছুমান শব্দত স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়

A) কৃষক

B) কষ্ট

C) ভূমিষ্ঠ

D) বিষাদ

11) তলৰ শব্দকেইটাত কি প্ৰত্যয় যোগ হৈছে বাছি উলিয়াই লিখা 1x4=4

I) চলন্ত

A) ওন্ত

B) ন্ত

C) আন্ত

D) অন্ত

II) লিখক

A) ক

B) ওক

C) ৱক

D) অক

III) ৰান্ধনি

A) নি

B) অনি

C) অনী

D) উনি

IV) লগৰী

A) অৰী

B) অৰি

C) ৰী

D) ওৰী

12. উত্তৰ লিখা 1x4=4

I) চিৰন্তন সত্য হ'লে পৰোক্ষ উক্তিত কি কালৰ ক্ৰিয়া হ'ব ?

II) প্ৰত্যক্ষ উক্তিত ব্যৱহাৰ হোৱা 'এতিয়া' শব্দটো পৰোক্ষ উক্তিত কি হয় ?

III) প্ৰত্যক্ষ উক্তিৰ এটা বাক্য লিখা ।

IV) পৰোক্ষ উক্তিৰ এটা বাক্য লিখা ।

## Section D

(গদ্য ভাগ)

13.তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । 4x1=4

I) “মোৰ মাতৃমুখ দৰ্শন” পাঠটোৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই সম্বলপুৰৰপৰা গুৱাহাটীলৈ কৰা ৰেল যাত্ৰাৰ চমু বিৱৰণ আগবঢ়োৱা।

II) আনন্দৰাম বৰুৱাৰ মহৎ কৰ্মৰাজি আমি কেনেদৰে গ্ৰহণ কৰিব পাৰো বুজাই লিখা ।

14.তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 2x1=2

I) “মোৰ মাতৃমুখ দৰ্শন” শীৰ্ষক পাঠটোৰ নামাকৰণৰ তাৎপৰ্য কি?

III) প্ৰকৃততে ত্যাগ বা বৈৰাগ্য কি ?

15.তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা। 1x4=4

I) জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলিলে কাক কাক বুজায় ?

II) দুখন উপনিষদৰ নাম লিখা ।

III) “পঞ্চপুষ্প”- পুথিখনৰ লেখক কোন ?

IV) আনন্দৰাম বৰুৱাই কোনখন মহাবিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল ?

(পদ্য ভাগ)

16.যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা। 4x1=4

I) তোমাৰ পাঠত থকা “উভতি নহাৰ কবিতা” কবিতাটোত কবিয়ে কিয় পৃথিৱীলৈ উভতি নাহে বুলি ভাবিছে বুজাই লিখা।

II)“জনতাৰ আহ্বান“ কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাৱ প্ৰকাশ পাইছে বহলাই লিখা।

17.চমু উত্তৰ লিখা (যিকোনো এটা) 2x1=2

I)সব পুৰুষৰ শিৰৰ ভূষণ” বুলি কোনে, কাক, কিয় কৈছিল ?

II) জোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা ।

18.উত্তৰ লিখা । 1x4=4

I) মাধৱদেৱে ৰচনা কৰা এখন ঝুমুৰাৰ নাম লিখা।

II) নৱকান্ত বৰুৱাৰ এখন কবিতা পুথিৰ নাম লিখা ।

III) মণিকাঞ্চন সংযোগ মানে কি ?

IV) জোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথমখন নাটকৰ নাম কি ?

……….